**NSD NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 26-02-2025
**Time :** 0705 Hrs

***Assamese Morning Bulletin***
***Headlines***

১। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজি মধ্যপ্ৰদেশৰ চট্টৰপুৰ জিলাৰ বাগেশ্বৰ ধামত আয়োজন কৰা এটা সমূহীয়া বিবাহ অনুষ্ঠানত ভাগ ল'ব।

২। যোৱা কেইটামান বছৰত অসমৰ আইন শৃংখলা পৰিস্থিতি উন্নত হৈছে আৰু ৰাজ্য আৰু কেন্দ্ৰীয় চৰকাৰে কেইবাখনো শান্তি চুক্তি সম্পাদন কৰিছে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে মন্তব্য কৰিছে।

৩। উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড়ে আজি অৰুণাচল প্ৰদেশ ভ্ৰমণ কৰিব।

৪। আজি মহা শিৱৰাত্ৰি। দেশৰ ভিন্ন প্ৰান্তত এই উপলক্ষে আজি দেৱাদিদেৱ মহাদেৱৰ আৰাধনা কৰা হৈছে। *আৰু*

৫। আই চি চি চেম্পিয়নছ ট্ৰফী ক্ৰিকেট প্ৰতিযোগিতাত আজি পাকিস্তানৰ লাহোৰৰ গাড্ডাফি ষ্টেডিয়ামত হ'বলগীয়া গ্ৰুপ বিৰ এখন খেলত ইংলেণ্ডে আফগানিস্তানৰ বিৰুদ্ধে খেলিব।

০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজি মধ্যপ্ৰদেশৰ চট্টৰপুৰ জিলাৰ বাগেশ্বৰ ধামত আয়োজন কৰা এটা সমূহীয়া বিবাহ অনুষ্ঠানত ভাগ ল'ব। এই অনুষ্ঠানত ৰাজ্যখনৰ ৰাজ্যপাল মঙ্গুভাই পেটেল, মুখ্যমন্ত্ৰী ড০ মোহন যাদৱকে ধৰি বহুকেইগৰাকী ক্ৰিকেট খেলুৱৈ, শিল্পী তথা আন বিশিষ্ট ব্যক্তি উপস্থিত থাকিব।

ৰাষ্ট্ৰপতিগৰাকীয়ে কালি বিহাৰৰ পাটনা চিকিৎসা মহাবিদ্যালয় আৰু হাস্পতালৰ বাপু সভাগাৰত আয়োজিত শতবাৰ্ষিকী উদযাপন সমাৰোহত অংশ লয়। কাইলৈ শ্ৰীমতী মুৰ্মুৱে গুজৰাটৰ কেৱাৰিয়াৰ এক্তা দক্ষতা বিকাশ কেন্দ্ৰ পৰিদৰ্শন কৰাৰ লগতে আহমেদাবাদৰ নেচনেল ইনষ্টিটিউট অৱ ডিজাইনৰ ৪৪ সংখ্যক দীক্ষান্ত সমাৰোহত ভাগ ল'ব।

০০০০

অসম সম্প্ৰতি অপাৰ সম্ভাৱনাৰ কেন্দ্ৰ আৰু দক্ষিণ পূৱ এছিয়া তথা ভাৰতৰ দুৱাৰমুখ হিচাপে পৰিগণিত হৈছে বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে প্ৰকাশ কৰিছে। গুৱাহাটীত কালি বিনিয়োগ আৰু আন্তগাথনি সন্মিলন দ্বিতীয় এডভাণ্টেজ আছাম মুকলি কৰি প্ৰধানমন্ত্ৰীগৰাকীয়ে এইদৰে কয়। কূটনীতিবিদ, আগশাৰীৰ উদ্যোগপতি, বিদেশী প্ৰতিনিধিৰ সমাবেশত অসম পূৱ ভাৰতৰ নিৰ্মাণকেন্দ্ৰৰূপে পৰিগণিত হ'ব বুলি উল্লেখ কৰি প্ৰধানমন্ত্ৰীগৰাকীয়ে  এই কৌশলগত স্থিতিৰ লাভ গ্ৰহণ কৰিবলৈ উদ্যোগপতিসকলৰ প্ৰতি আহ্বান জনায়।

শ্ৰীমোদীয়ে কয়, যে তেওঁৰ চৰকাৰে অঞ্চলটোৰ যোগাযোগ ব্যৱস্থা আৰু আন্তঃগাথনিৰ উন্নয়নৰ লগতে স্থানীয় যোগান শৃংখলা শক্তিশালী কৰি তোলাৰ বাবে কাম কৰি আছে। ভাৰতে কম খৰছী নিৰ্মাণ প্ৰক্ৰিয়া বিকশাই তোলাৰ বাবে যুদ্ধকালীন তৎপৰতাৰে কাম কৰি আছে বুলিও প্ৰধানমন্ত্ৰীয়ে মন্তব্য কৰে। শ্ৰীমোদীয়ে কয় যে, যোৱা কেইটামান বছৰত অসমৰ আইন শৃংখলা পৰিস্থিতি উন্নত হৈছে আৰু ৰাজ্য আৰু কেন্দ্ৰীয় চৰকাৰে কেইবাখনো শান্তি চুক্তি সম্পাদন কৰিছে। অসম চৰকাৰে ব্যৱসায়ৰ বাবে সূচল বাতাবৰণ গঢ়ি তুলিছে আৰু উদ্যোগসমূহৰ বাবে উৎকৃষ্ট নীতি যুগুতাই উলিয়াইছে বুলি উল্লেখ কৰি প্ৰধানমন্ত্ৰীগৰাকীয়ে কয় যে ৰাজ্যখনে ২০৩০ চনৰ ভিতৰত প্ৰায় ১৫০ কোটি ডলাৰৰ অৰ্থব্যৱস্থাত পৰিণত হোৱাৰ লক্ষ্য নিৰ্ধাৰণ কৰিছে।

সন্মিলনত ভাগ লৈ তথ্য আৰু সম্প্ৰচাৰ তথা ৰেলমন্ত্ৰী অশ্বিনী বৈষ্ণৱে কয়, যে অসম এতিয়া দেশৰ বিকাশৰ ইঞ্জিনত পৰিণত হৈছে। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে তেওঁৰ দায়িত্বত থকা আন দুটা মন্ত্ৰালয়, ৰে'ল আৰু বৈদ্যুতিন আৰু তথ্য প্ৰযুক্তি মন্ত্ৰালয়ৰ অধীনত বিগত সময়ছোৱাত কোকৰাঝাৰৰ পৰা গেলেফুলৈ ৰে'লপথ নিৰ্মাণ, ৰে'লৰেৰ ভূমি বেদখলমুক্ত কৰি অলপতে ঘোষণা কৰা নাইলেট বিশ্ববিদ্যালয় নিৰ্মাণৰ আৰম্ভণি আৰু ৰাজ্য আৰু কেন্দ্ৰীয় চৰকাৰৰ যৌথ উদ্যোগত কামৰূপ জিলাৰ আজাৰাৰ সমীপৰ বঙৰাত ইলেকট্ৰনিক সামগ্ৰী উৎপাদন কেন্দ্ৰ গঢ়ি তোলাৰ সিদ্ধান্তক সুদূৰপ্ৰসাৰী বুলি মন্তব্য কৰে।

গুৱাহাটীৰ ৰে'ল ষ্টেচনক ১২ মহলা বা ততোধিক উচ্চতাৰ তথ্য প্ৰযুক্তি কেন্দ্ৰ হিচাপে গঢ়ি তোলা হ'ব। কোকৰাঝাৰ জিলাৰ বাঁহবাৰীত নতুন ৰে'লৰ দবা নিৰ্মাণ কাৰখানাৰ বাবে ৰাজ্য চৰকাৰে ভূমি আৱণ্টন কৰিছে আৰু শীঘ্ৰেই ইয়াৰ কাম আৰম্ভ হ'ব বুলি তেওঁ জানিবলৈ দিয়ে। তেওঁ লগতে লামডিঙত ৰে'ল ইঞ্জিন পুনৰ নিৰ্মাণ কাৰখানা স্থাপনৰ কথাও ঘোষণা কৰে।

০০০০

উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড়ে আজি অৰুণাচল প্ৰদেশ ভ্ৰমণ কৰিব। এই ভ্ৰমণ কালত তেওঁ ৰাজ্যখনৰ কাম্‌লে জিলাৰ বোৰাছিমলাত আয়োজন কৰা ন্যয়োকুম য়্যুল্লো উৎসৱত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰিব। উপ-ৰাষ্ট্ৰপতিগৰাকীৰ সৈতে এই উৎসৱত কেন্দ্ৰীয় সংসদীয় পৰিক্ৰমা মন্ত্ৰী কিৰেণ ৰিজিজু উপস্থিত থাকিব। শ্ৰীধনখড়ৰ এয়া হ'ব তৃতীয়টো অৰুণাচল প্ৰদেশ ভ্ৰমণ। ৰাজ্যখনৰ নিচি জনগোষ্ঠীয় লোকসকলে শস্যৰ উৎপাদন বৃদ্ধি তথা ৰাইজৰ সুখ-সমৃদ্ধিৰ বাবে এই উৎসৱৰ আয়োজন কৰি আহিছে।

০০০০

কেন্দ্ৰীয় গৃহ আৰু সমবায় মন্ত্ৰী অমিত শ্বাহে কালি নতুন দিল্লীত ভাৰতীয় বীজ সহকাৰী সমিতি লিমিটেড চমুকৈ বি বি এছ এছ এলৰ থলুৱা আৰু মিঠা বীজ সন্দৰ্ভত এখন পৰ্যালোচনা বৈঠকত অংশগ্ৰহণ কৰে। বৈঠকত শ্ৰীশ্বাহে কয় যে থলুৱা বীজৰ সংৰক্ষণ আৰু প্ৰসাৰৰ হকে বি বি এছ এছ এলে অবিৰতভাৱে কাম কৰি আছে। তেওঁ দেশৰ বিভিন্ন অঞ্চলৰ পৰা কেতবোৰ বছা বছা থলুৱা বীজৰ জৈৱিক উৎপাদন কৰি চলিত খাৰিফ বৰ্ষৰ পৰাই বজাৰত সেইসমূহৰ উপলব্ধতা সুনিশ্চিত কৰিবলৈ নিৰ্দেশ দিয়ে।

বৈঠকত শ্ৰীশ্বাহে দেশৰ ভিন্ন প্ৰান্তৰ থলুৱা ফল-মূল, শাক-পাচলি আৰু খাদ্যশস্যৰ এটা সামগ্ৰিক তথ্যভাণ্ডাৰ প্ৰস্তুত কৰাৰ লগতে সেইসমূহৰ সংৰক্ষণ আৰু প্ৰসাৰৰ বাবে ব্যাপক কাৰ্যপৰিকল্পনা ৰূপায়ণ কৰাত গুৰুত্ব আৰোপ কৰে।

০০০০

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ কালি নিশা তামিলনাডুৰ কইম্বাতুৰত উপস্থিত হৈছে। কেন্দ্ৰীয় ৰাজ্যমন্ত্ৰী ড০ এল মুৰুগান আৰু ৰাজ্যখনৰ অন্যান্য বিজেপি নেতাসকলে শ্ৰীশ্বাহক আদৰণি জনায়। আজি তেওঁ কইম্বাতুৰত দলৰ কাৰ্যালয় ভৱন উদ্বোধন কৰিব। তেওঁ লগতে কইম্বাতুৰৰ সমীপৰ ইছা কেন্দ্ৰত আয়োজিত শিৱৰাত্ৰি উদযাপন কাৰ্যসূচীতো অংশগ্ৰহণ কৰিব।

০০০০

আজি মহা শিৱৰাত্ৰি। দেশৰ বিভিন্ন প্ৰান্তত এই উপলক্ষে আজি দেৱাদিদেৱ মহাদেৱৰ আৰাধনা কৰা হৈছে। ইয়াৰ বাবে শিৱ মন্দিৰসমূহ সজাই পৰাই তোলা হৈছে। উত্তৰ প্ৰদেশৰ বাৰানসীৰ কাশী বিশ্বনাথ ধামৰ লগতে আন আন শিৱ মন্দিৰসমূহত আজি পুৱাৰে পৰা ভগৱান শিৱৰ জলাভিশেষ কৰা হৈছে। মহাশিৱৰাত্ৰি উপলক্ষে কাশীত বিশেষ আয়োজন কৰা হৈছে। একেদৰে গুজৰাটৰ প্ৰসিদ্ধ সোমনাথ মহাদেৱ মন্দিৰত পুৱা ৪ বজাৰে পৰা শিৱৰাত্ৰি উপলক্ষে ভক্তৰ সমাগম ঘটিছে।

অসমৰ শিৱসাগৰ জিলাৰ ঐতিহাসিক শিৱদৌল প্ৰাংগণত মহা শিৱৰাত্ৰি পূজা আৰু মেলা কালিৰে পৰা ৪ দিনীয়া কাৰ্যসূচীৰে আয়োজন কৰা হৈছে। জিলা প্ৰশাসনে এই পূজা আৰু মেলা নিয়াৰিকৈ পৰিচালনাৰ বাবে সকলো ব্যৱস্থা গ্ৰহণ কৰিছে। অগণন লোকৰ সমাগমৰ প্ৰতি লক্ষ্য ৰাখি অঞ্চলটোত শিৱৰাত্ৰি উদযাপন সমিতিয়ে চি চি টিভি কেমেৰা সংস্থাপন কৰিছে। কালি দিনৰ ভাগত উদ্বোধনী অনুষ্ঠানৰ আয়োজন কৰা হয়। আজি সন্ধিয়া সাংস্কৃতিক কাৰ্যসূচীৰ অংশ হিচাপে ভাওনা প্ৰদৰ্শন কৰা হ'ব।

মহাশিৱৰাত্ৰি উপলক্ষে ভাৰতীয় ৰে'লৱেই মহাকুম্ভলৈ যোৱা ভক্তসকলৰ বাবে প্ৰয়াগৰাজ আৰু উত্তৰ প্ৰদেশৰ পৰা ৩৫০খনৰো অধিক ৰে'ল চলাচলৰ ব্যৱস্থা কৰিছে। ৰে'ল মন্ত্ৰালয়ে প্ৰকাশ কৰা মতে মহাশিৱৰাত্ৰি স্নানৰ পাছত ভক্তসকলৰ বাবে অতিৰিক্ত ৰে'লৰ বিশেষ ব্যৱস্থা কৰা হৈছে। উল্লেখযোগ্য যে আজি পৱিত্ৰ দিনটোত ত্ৰিবেণী সংগমত স্নানৰ বাবে উত্তৰ প্ৰদেশ, বিহাৰ, মধ্য প্ৰদেশ, ঝাৰখণ্ড, বেংগলকে ধৰি দেশৰ বিভিন্ন প্ৰান্তৰ ভালেসংখ্যক ভক্তৰ প্ৰয়াগৰাজলৈ সমাগম ঘটিছে। ৰে'ল মন্ত্ৰী অশ্বিনী বৈষ্ণৱ আৰু ৰে'লৱে পৰিষদৰ অধ্যক্ষ সতীশ কুমাৰে এই সমগ্ৰ ব্যৱস্থাটো ব্যক্তিগতভাৱে নিৰীক্ষণ কৰিছে। ভক্তসকলৰ সুবিধাৰ্থে বিভিন্ন ষ্টেচনত চিকিৎসা সেৱাৰো ব্যৱস্থা কৰা হৈছে বুলি ৰে'ল মন্ত্ৰালয়ে প্ৰকাশ কৰিছে।

০০০০

কেন্দ্ৰীয় মাধ্যমিক শিক্ষা পৰিষদ, চি বি এছ্ ইয়ে ২০২৫-২৬ শৈক্ষিক বৰ্ষৰ পৰা দশম শ্ৰেণীৰ বাবে দুটা বোৰ্ডৰ পৰীক্ষা অনুষ্ঠিত কৰা বিষয়ক খচৰা নীতি সন্দৰ্ভত দিহা পৰামৰ্শ বিচাৰিছে। এই খচৰা নীতিত চি বি এছ্ ইয়ে দশম শ্ৰেণীৰ পৰীক্ষা দুটা পৰ্যায়ত অনুষ্ঠিত কৰাৰ প্ৰস্তাৱ দিছে। ইয়াৰে প্ৰথমটো পৰ্যায় ফেব্ৰুৱাৰীৰ পৰা মাৰ্চৰ ভিতৰত আৰু দ্বিতীয় পৰ্যায়ৰ পৰীক্ষা মে'ত অনুষ্ঠিত কৰাৰ প্ৰস্তাৱ দিয়া হৈছে। ইয়াৰ উপৰি দশম আৰু দ্বাদশ শ্ৰেণীৰ পৰীক্ষাসমূহ ১৫ ফেব্ৰুৱাৰীৰ পাছৰ প্ৰথমটো মঙলবাৰে আৰম্ভ কৰাৰ বাবেও চি বি এছ্ ইয়ে প্ৰস্তাৱ দিছে। এই সন্দৰ্ভত অহা ৯ মাৰ্চৰ ভিতৰত প্ৰতিক্ৰিয়া তথা দিহা-পৰামৰ্শ দাখিল কৰিবলৈ পৰিষদে অংশীদাৰসকলৰ প্ৰতি আহ্বান জনাইছে। ৰাষ্ট্ৰীয় শিক্ষা নীতি ২০২০ৰ পৰামৰ্শৰ ওপৰত ভিত্তি কৰিয়েই এই খচৰা নীতি প্ৰস্তুত কৰি উলিওৱা হৈছে বুলি চি বি এছ্ ইয়ে প্ৰকাশ কৰিছে।

০০০০

আই চি চি চেম্পিয়নছ্ ট্ৰফী ক্ৰিকেট প্ৰতিযোগিতাত আজি পাকিস্তানৰ লাহোৰৰ গাড্ডাফি ষ্টেডিয়ামত হ'বলগীয়া গ্ৰুপ বিৰ এখন খেলত ইংলেণ্ডে আফগানিস্তানৰ বিৰুদ্ধে খেলিব। খেলখন ভাৰতীয়

সময় অনুসৰি দিনৰ আঢ়ৈ বজাত আৰম্ভ হ'ব। খেলখনত পৰাজিত হোৱা দলটো এই প্ৰতিযোগিতাৰ পৰা বাহিৰ হ'ব। দুয়োটা দলে ইতিমধ্যে নিজৰ প্ৰথমখন খেলত পৰাজিত হৈ এটাও পইণ্ট নোহোৱাকৈ গ্ৰুপ বিৰ অন্তিম স্থানত আছে। ইংলেণ্ডে অষ্ট্ৰেলিয়াৰ বিৰুদ্ধে ৫ উইকেটত পৰাস্ত হোৱাৰ বিপৰীতে আফগানিস্তানক দক্ষিণ আফ্ৰিকাই ১০৭ ৰাণত পৰাস্ত কৰে।

কালি নিশা ৰাৱালপিণ্ডিত অষ্ট্ৰেলিয়া আৰু দক্ষিণ আফ্ৰিকাৰ মাজৰ খেলখন বৰষুণৰ বাবে পৰিত্যক্ত ঘোষণা কৰা হয়। দুয়োটা দলকে ১ পইণ্টকৈ ভগাই দিয়া হয়।

০০০০

এফ আই এইচ হকী প্ৰ' লীগ প্ৰতিযোগিতাত ভাৰতীয় পুৰুষ আৰু মহিলা হকী দলে বিজয়ীৰ খিতাপ অৰ্জন কৰিছে। ভূৱনেশ্বৰৰ কলিঙ্গ ষ্টেডিয়ামত অনুষ্ঠিত খেলত কালি ভাৰতীয় দলে ইংলেণ্ডক ২-১ গ'লৰ ব্যৱধানত পৰাস্ত কৰে। ভাৰতীয় দলৰ অধিনায়ক হৰমনপ্ৰীত সিঙে দলটোক সন্মুখৰ পৰা নেতৃত্ব দি খেলখনৰ ২৬ মিনিটত পেনাল্টি কৰ্ণাৰৰ জৰিয়তে প্ৰথমটো গ'ল দিয়ে। ইয়াৰ কিছু পাছতেই ইংলেণ্ডৰ ক'ন'ৰ উইলিয়ামছনে গ'ল দি ১-১ৰ সমতা স্থাপন কৰে। খেলখনৰ ৩৩ মিনিটত হৰমনপ্ৰীতে দ্বিতীয়টো গ'ল দি দলটোক বিজয়ৰ দিশে লৈ যায়।

ইয়াৰ পূৰ্বে একেখন ষ্টেডিয়ামতে অনুষ্ঠিত মহিলা হকীত ভাৰতীয় দলে নেডাৰলেণ্ডছক ২-১ৰ ব্যৱধানত পৰাস্ত কৰে।

০০০০

সমাপ্ত